নিশ্চয় মই এই পতাকা সেই ব্যক্তিক প্ৰদান কৰিম, যিয়ে আল্লাহ আৰু তেওঁৰ ৰাছুলক মুহাব্বত কৰে, মহান আল্লাহে তাৰ হাতেৰেই বিজয় প্ৰদান কৰিব।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে খয়বৰৰ দিনা কৈছেঃ "নিশ্চয় মই এই পতাকা সেই ব্যক্তিক প্ৰদান কৰিম, যিয়ে আল্লাহ আৰু তেওঁৰ ৰাছুলক মুহাব্বত কৰে, মহান আল্লাহে তাৰ হাতেৰেই বিজয় প্ৰদান কৰিব।" ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ মই সেই এটা দিনৰ বাহিৰে কেতিয়াও শাসনৰ আশা কৰা নাছিলোঁ। এই দায়িত্ব মোক অৰ্পণ কৰা হ'ব বুলি আশাৰে মই মোৰ ডিঙি ওপৰৰ ফালে দাঙি ৰাখিছিলোঁ, যাতে মোক ইয়াৰ বাবে আহ্বান কৰা হয়। কিন্তু ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে আলী বিন আবু তালিবক মাতিলে, আৰু সেই পতাকা তেওঁক অৰ্পণ কৰিলে আৰু ক'লেঃ "আগুৱাই যোৱা, পিছফালে ঘূৰি নাচাবা, যেতিয়ালৈকে আল্লাহে তোমাক বিজয় দান নকৰে।" তেওঁ কৈছেঃ আলী কিছু দূৰ যোৱাৰ পিছত, থিয় হ'ল, কিন্তু পিছফালে ঘূৰি চোৱা নাছিল, আৰু চিঞৰি ক'লেঃ হে আল্লাহৰ ৰাছুল! কিহৰ ভিত্তিত মই মানুহৰ সৈতে যুদ্ধ কৰিম? তেখেতে ক'লেঃ "তুমি সিহঁতৰ সৈতে তেতিয়ালৈকে যুদ্ধ কৰিবা যেতিয়ালৈকে সিহঁতে এই
সাক্ষ্য নিদিব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ হৈছে আল্লাহৰ ৰাছুল। যদি সিহঁতে এই সাক্ষ্য দিয়ে, তেন্তে সিহঁতৰ তেজ, ধন-সম্পদ আদি তোমাৰ পৰা সুৰক্ষিত হৈ পৰিব। কেৱল দণ্ডবিধিৰ বাহিৰে, আৰু ইয়াৰ হিচাপ-নিকাচ হ'ব আল্লাহৰ
ওচৰত।"
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলক সুসংবাদ দি কৈছিল যে, অহাকালি খয়বৰৰ ইয়াহুদীসকলৰ ওপৰত মুছলিমসকলে বিজয় লাভ কৰিব, আৰু এইটো বাস্তৱায়ন হ'ব এনেকুৱা এজন ব্যক্তিৰ দ্বাৰা যাৰ হাতত তেখেতে যুদ্ধৰ পতাকা প্ৰদান কৰিব। যিটো পতাকা সেনাবাহিনীয়ে প্ৰতীক হিচাপে লয়। সেই ব্যক্তিজনৰ বৈশিষ্ট্য হৈছে এই যে, তেওঁ আল্লাহ আৰু তেওঁৰ ৰাছুলক ভাল পায়, আনহাতে আল্লাহ আৰু তেওঁৰ ৰাছুলেও তেওঁক ভাল পায়। ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে উল্লেখ কৰিছে যে, শাসনৰ দায়িত্বভাৰৰ প্ৰতি তেওঁৰ কোনো মোহ নাছিল। কিন্তু সেই দিনটোত তেওঁ এই আশাৰে সেই দায়িত্বটো কামনা কৰিছিল, কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছিল যে, আল্লাহ আৰু তেওঁৰ ৰাছুলে সেই ব্যক্তিজনক ভাল পায়। সেয়ে ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে মূৰ দাঙি ৰাখিছিল, যাতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলৰ মাজৰ পৰা তেওঁক দেখি মাতি নিয়ে। তেওঁ এইটো কৰিছিল সেই পতাকাটো পোৱাৰ আশাৰে। কিন্তু নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আলী বিন আবু তালিবক মাতি সেই পতাকাটো প্ৰদান কৰিছিল। লগতে তেওঁক নিৰ্দেশ দিছিল যে, তেওঁ যেন সেনাবাহিনী লৈ আগুৱাই যায়, আৰু শত্ৰুৰ সৈতে যুদ্ধ কৰাৰ সময়ত কোনো পদ্ধেই যেন বিশ্ৰাম, বিৰতি অথবা যুদ্ধবিৰতিৰ অজুহাতেৰে পিছুৱাই নাহে, যেতিয়ালৈকে আল্লাহে তেওঁৰ সহায় সহযোগৰ দ্বাৰা এই দুৰ্গবোৰৰ ওপৰত বিজয় প্ৰদান নকৰিব। নিৰ্দেশ পাই আলী ৰাদ্বিয়াল্লাহু আনহু ৰাওনা হ'ল, কিছু দূৰ গৈ তেওঁ থিয় দিলে, কিন্তু পিছফালে ঘূৰি চোৱা নাছিল। যাতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ নিৰ্দেশৰ অমান্য নহয়। ইয়াৰ পিছত তেওঁ চিঞৰি ক'লেঃ হে আল্লাহৰ ৰাছুল! কিহৰ ভিত্তিত মই সিহঁতৰ সৈতে যুদ্ধ কৰিম? তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ সিহঁতৰ সৈতে যুদ্ধ কৰা যেতিয়ালৈকে সিহঁতে এই সাক্ষ্য প্ৰদান নকৰিব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য

নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ ৰাছুল। যদি সিহঁতে এইটো স্বীকাৰ কৰে আৰু ইছলাম গ্ৰহণ কৰে তেন্তে সিহঁতৰ তেজ আৰু ধন-সম্পদ তোমাৰ পৰা সুৰক্ষিত হৈ পৰিব, আৰু তোমাৰ বাবে হাৰাম হৈ পৰিব। কিন্তু দণ্ডবিধিৰ বাহিৰে, যেনে- কোনো এনেকুৱা অপৰাধ কৰিলে যিটোৰ বাবে ইছলামী নিয়মানুযায়ী মৃত্যুদণ্ড অনিবাৰ্য্য হৈ পৰে, আৰু সিহঁতৰ হিচাপ-নিকাচ হ'ব আল্লাহৰ ওচৰত।

http://www.sunnah.global/hadeeth/as/show/4958